**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-04-2025 **Time :** 1910 Hrs.

## *Assamese Evening Bulletin*

## ***HEADLINES***

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই ৰে'ল মন্ত্ৰালয়ৰ মুঠ ১৮ হাজাৰ ৬৫৮ কোটি টকাৰ চাৰিটা প্ৰকল্পত অনুমোদন জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বেংককত বিমষ্টেক শীৰ্ষ সন্মিলনৰ আহৰিত বাংলাদেশৰ অন্তৰ্ৱৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছৰ সৈতে এখন চমু বৈঠকত মিলিত হয়।

৩। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে এইবাৰৰ সংসদীয় অধিবেশনৰ কাৰ্যক্ৰমণিকা সফলতাৰে সমাপ্ত হৈছে।

৪। কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে বিড়ি, চিনেমা আৰু কয়লা খনিৰ বাহিৰে আন খনিত কৰ্মৰত লোকসকলৰ শিক্ষাৰ বাবে বিত্তীয় সাহায্যৰ ব্যৱস্থা কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্নৌত হ'বলগীয়া এখন খেলত লক্ষ্নৌ ছুপাৰ জায়েণ্টছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই ৰে'ল মন্ত্ৰালয়ৰ মুঠ ১৮ হাজাৰ ৬৫৮ কোটি টকাৰ চাৰিটা প্ৰকল্পত অনুমোদন জনাইছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত এখন সংবাদ মেলক উদ্দেশ্যি কয় যে এই প্ৰকল্পসমূহে মহাৰাষ্ট্ৰ, ওড়িশা আৰু ছত্তিশগড়ৰ ১৫খন জিলাক সামৰি ল'ব আৰু ভাৰতীয় ৰে'লৰ এহেজাৰ ২৪৭ কিলোমিটাৰ পৰিধিক সামৰি এক বৃহৎ নেটৱৰ্কৰ সৃষ্টি কৰিব। তেওঁ জনায় যে এই প্ৰকল্পসমূহে সম্বলপুৰ-জাৰপাড়াৰ তৃতীয় আৰু চতুৰ্থ লাইন, ঝাৰচুগুড়া-ছেচেনৰ তৃতীয় আৰু চতুৰ্থ লাইন, খাৰ্ছিয়া-নয়া ৰায়পুৰ-পাৰমলকাছাৰ পঞ্চম তথা ষষ্ঠ লাইন আৰু গণ্ডিয়া-বলহাৰছাহৰ দ্বৈত লাইনক সামৰি লৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে এই ব্যৱস্থাসমূহে যাতায়ত সূচল কৰি তোলাৰ লগতে কেচাঁমাল পৰিবহনৰ ব্যয় যথেষ্ট পৰিমাণে হ্ৰাস কৰিব। ই লগতে তেলৰ আমদানিৰ পৰিমাণ কমোৱাৰ লগতে কাৰ্ব-ডাই-অক্সাইড নিৰ্গমনৰ পৰিমাণো কম কৰি তুলিব। শ্ৰীবৈষ্ণৱে জনায় যে এই প্ৰকল্পসমূহে দেশত প্ৰায় ৩৭৯ লাখ নিয়োগৰ সুবিধা প্ৰদান কৰিব। মন্ত্ৰীগৰাকীয়ে জনায় যে মন্ত্ৰীসভাই লগতে কেন্দ্ৰৰ দ্বাৰা ১০০ শতাংশ অনুমোদনৰ জৰিয়তে ৬ হাজাৰ ৮৩৯ কোটি টকা ভাইব্ৰেণ্ট ভিলেজ প্ৰগ্ৰেম দ্বিতীয়ৰ বাবে ব্যয় কৰাৰ ব্যৱস্থা কৰিছে।

oooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বেংককত বিমষ্টেক শীৰ্ষ সন্মিলনৰ আহৰিত বাংলাদেশৰ অন্তৰ্ৱৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছৰ সৈতে এখন চমু বৈঠকত মিলিত হয়। প্ৰধানমন্ত্ৰী মোদীয়ে এই বৈঠকত চুবুৰীয়া দেশখনত এখন গণতান্ত্ৰিক সুস্থ, শান্তিপূৰ্ণ, প্ৰগতিশীল আৰু সকলো জাতি-জনগোষ্ঠীৰ সম-অধিকাৰ বৰ্তি থকাৰ বাবে ভাৰতে সদায়েই সহযোগিতা আগবঢ়াব বুলি বাংলাদেশী নেতাগৰাকীক আশ্বাস দিয়ে। শ্ৰীমোদীয়ে দুয়ো দেশৰ মাজৰ সীমান্তত প্ৰচলিত আইনৰ সঠিক ৰূপায়ণ আৰু সীমান্তইদি অবৈধ অনুপ্ৰবেশ বন্ধ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই বৈঠকৰ বিষয়ে প্ৰকাশ কৰি বৈদেশিক পৰিক্ৰমা সচিব বিক্ৰম মিশ্ৰিয়ে কয় যে আজিৰ বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে এটা ইতিবাচক দৃষ্টিভঙ্গীৰে বাংলাদেশৰ সৈতে গঠনমূলক সম্পৰ্ক গঢ়ি তোলাৰ বাবে ভাৰতৰ আগ্ৰহৰ কথা পুনৰবাৰ দোহাৰে। চুবুৰীয়া দেশ দুখনৰ মাজৰ সম্পৰ্ক বিঘ্নিত কৰিব পৰা প্ৰৰোচনামূলক বক্তব্য পৰিহাৰ কৰাৰ ওপৰতো প্ৰধানমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। বাংলাদেশ চৰকাৰৰ মুখ্য উপদেষ্টাগৰাকীয়ে পদচ্যুত প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ প্ৰত্যাৰ্পনৰ বিষয়টোও আজিৰ বৈঠকত উত্থাপন কৰে।

উল্লেখযোগ্য যে যোৱা বছৰৰ আগষ্ট মাহত বাংলাদেশৰ তেতিয়াৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা পদচ্যুত হোৱাৰ পাছত ভাৰতত আশ্ৰয় গ্ৰহণ কৰাৰ পৰৱৰ্তী সময়ছোৱাত ভাৰতৰ সৈতে বাংলাদেশৰ সম্পৰ্কত খুঁট আহে আৰু বাংলাদেশ চৰকাৰৰ বিভিন্ন পক্ষই ভাৰতবিৰোধী মন্তব্য আগবঢ়োৱাৰ ফলত পৰিস্থিতিৰ ক্ৰমাৎ অৱনতি ঘটে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তৰ্জাতিক কল্যাণ ত্বৰান্বিত কৰাৰ হকে বিমষ্টেক এখন উল্লেখযোগ্য মঞ্চ বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে বিমষ্টেক অধিক শক্তিশালী হোৱাটো প্ৰয়োজন। বেংককত অনুষ্ঠিত ষষ্ঠ বিমষ্টেক শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰীগৰাকীয়ে সহযোগিতাৰ বিভিন্ন দিশ সামৰি ২১ দফীয়া কাৰ্য পৰিকল্পনাৰ প্ৰস্তাৱ আগবঢ়ায়। বিমষ্টেকৰ ৰাষ্ট্ৰসমূহৰ মাজত ব্যৱসায় ত্বৰান্বিত হোৱা উচিত বুলি মন্তব্য কৰি শ্ৰী মোদীয়ে বিমষ্টেক চেম্বাৰ অব্ কমাৰ্চ স্থাপন কৰাৰ বিষয়ে ঘোষণা কৰে তথা প্ৰতিবছৰে বিমষ্টেক বাণিজ্য শীৰ্ষ সন্মিলনৰ আয়োজন কৰাৰ বিষয়েও মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিমষ্টেক অঞ্চলত স্থানীয় মুদ্ৰাত বাণিজ্য কৰাত সুফল সন্দৰ্ভত সম্ভাৱনামূলক অধ্যয়নতো প্ৰস্তাৱ আগবঢ়ায়। তেওঁ বাণিজ্যৰ লগতে বিমষ্টেকৰ জৰিয়তে প্ৰযুক্তিগত দিশসমূহো শক্তিশালী কৰাৰ সপক্ষে মত পোষণ কৰে।

শেহতীয়াকৈ ম্যানমাৰ আৰু থাইলেণ্ডত হোৱা ভূমিকম্পই দুৰ্যোগ ব্যৱস্থাপনা খণ্ডত একত্ৰিত হৈ কাম কৰাৰ প্ৰয়োজনীয়তাক সূচাই বুলিও শ্ৰী মোদীয়ে মত প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতত দুৰ্যোগ ব্যৱস্থাপনাৰ বিমষ্টেক উৎকৰ্ষতা কেন্দ্ৰ স্থাপন কৰা হ'ব। শ্ৰী মোদীয়ে মহাকাশ খণ্ডতো সহযোগিতাৰ পোষকতা কৰাৰ লগতে নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰা সন্দৰ্ভত মত প্ৰকাশ কৰে। সক্ষমতা নিৰ্মাণ ৰূপৰেখাৰ ক্ষেত্ৰত বিমষ্টেক উৎকৃষ্ট উদাহৰণ হৈ উঠিব পাৰে বুলিও তেওঁ মন্তব্য কৰে। বোধী পদক্ষেপৰ অধীনত প্ৰতি বছৰে বিমষ্টেক দেশসমূহৰ পৰা ৩০০ গৰাকী যুৱক-যুৱতীক ভাৰতত প্ৰতিৰক্ষা প্ৰদান কৰা হ'ব বুলি তেওঁ সদৰী কৰে।

০০০০০০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি জনাইছে যে এইবাৰৰ সংসদীয় অধিবেশনৰ কাৰ্যক্ৰমণিকা সফলতাৰে সমাপ্ত হৈছে। নতুন দিল্লীত সংবাদ মেলক উদ্দেশ্যি তেওঁ কয় যে এই অধিবেশনৰ সময়ছোৱাত কোনো ধৰণৰ বিবাদ অবিহনে ৰক্‌ফ বিধেয়কখন গৃহীত হৈছে আৰু সংসদৰ বুৰঞ্জীত ইয়াৰ পূৰ্বে কোনোবাৰেই কোনো বিধেয়কক লৈ ইমান সুন্দৰভাৱে আলোচনা হোৱা নাই। তেওঁ লগতে কয় যে এই অধিবেশনৰ সময়ছোৱাত লোকসভাই ১৬খন নতুন বিধেয়ক আৰু ৰাজ্যসভাই ১৪খন নতুন বিধেয়ক গৃহীত কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তিনি-দিনীয়া ভ্ৰমণসূচীৰে শ্ৰীলংকাত উপস্থিত হ'ব। ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কৰ আমন্ত্ৰণ মৰ্মে বিমষ্টেক শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ পাছত প্ৰধানমন্ত্ৰী শ্ৰীলংকালৈ যাব। প্ৰধানমন্ত্ৰীৰ শ্ৰীলংকা ভ্ৰমণৰ লক্ষ্য হৈছে দুয়োখন দেশৰ মাজত সহযোগিতা বৃদ্ধি কৰা। উল্লেখ্য যে ৰাষ্ট্ৰপতি দিশানায়কৰ সফল ভাৰত ভ্ৰমণৰ পাছত মোদীৰ এয়া প্ৰথমটো শ্ৰীলংকা ভ্ৰমণ কাৰ্যসূচী। প্ৰধানমন্ত্ৰীয়ে কয়, যে এই দ্বিপাক্ষিক আলোচনাত দুয়োগৰাকী নেতাই অংশীদাৰিত্ব সম্পৰ্কত পৰ্যালোচনা কৰাৰ লগতে এইসমূহ বাস্তৱায়িত কৰাৰো সুযোগ পাব।

০০০০০০০০০

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে বিড়ি, চিনেমা আৰু কয়লা খনিৰ বাহিৰে আন খনিত কৰ্মৰত লোকসকলৰ শিক্ষাৰ বাবে যোগ্য আবেদনকাৰীসকলক শ্ৰম কল্যাণ আঁচনিত অন্তৰ্ভুক্ত কৰি তেওঁলোকৰ বিত্তীয় সাহায্যৰ ব্যৱস্থা কৰিছে। ২০২৪-২৫ বৰ্ষৰ জলপানিৰ বাবে আবেদন জনোৱা ৯২টা ৱাৰ্ডৰ বিড়ি, চিনেমা আৰু কয়লা খনিৰ বাহিৰে আন খনিত কৰ্মৰত শ্ৰমিকসকলৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৩২ কোটি ৫১ লাখ টকা মুকলি কৰি দিছে। মন্ত্ৰালয়ে জনায় যে এই আঁচনিৰ জৰিয়তে এই ৱাৰ্ডসমূহৰ স্কুল, কলেজ আৰু আন পেচাদাৰী প্ৰতিষ্ঠানত শিক্ষা গ্ৰহণ কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে ২৫ হাজাৰ টকাৰ জলপানিৰ ব্যৱস্থা কৰা হৈছে। শ্ৰমিক কল্যাণ বিভাগৰ সঞ্চালক প্ৰধানৰ প্ৰশাসনিক তত্বাৱধানত ১৮টা অঞ্চলত নেশ্যনেল স্কলাৰশ্বিপ পোৰ্টেলৰ জৰিয়তে এই আঁচনি ৰূপায়ণ কৰি থকা হৈছে।

০০০০০০০০০

দক্ষিণ কোৰিয়াৰ তত্বাৱধায়ক প্ৰতিৰক্ষা মন্ত্ৰী কিম ছুন হোই বৈৰী দেশ উত্তৰ কোৰিয়াৰ প্ৰৰোচনামূলক কাৰ্যৰ বিৰুদ্ধে সতৰ্ক আৰু শক্তিশালী হৈ থাকিবলৈ দেশখনৰ প্ৰতিৰক্ষা বাহিনীক আহ্বান জনাইছে। দেশখনৰ সাংবিধানিক আদালতে পদচ্যুত ৰাষ্ট্ৰপতি উন চুক ইয়লৰ বিৰুদ্ধে মহাভিযোগ প্ৰক্ৰিয়া চলাবলৈ দিয়া নিৰ্দেশৰ পাছত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে আজি ছিউলত দেশখনৰ প্ৰতিৰক্ষা বিভাগৰ শীৰ্ষ বিষয়া, সেনাবাহিনীৰ মুৰব্বী আৰু সশস্ত্ৰ বাহিনীকেইটাৰ মুৰব্বীসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে উত্তৰ কোৰিয়াই পৰিস্থিতিৰ সুযোগ লৈ চলাব পৰা যিকোনো কাৰ্যৰ বিৰুদ্ধে শক্তিশালী ৰূপত প্ৰস্তুতি চলাবলৈ শীৰ্ষ বিষয়াসকলক পৰামৰ্শ দিয়ে। তেওঁ ৰাজনৈতিক পক্ষপাতহীনভাৱে আঁচনি প্ৰস্তুত কৰি সামৰিক প্ৰশিক্ষণ আৰু অভিযান আৰম্ভ কৰিবলৈ বিষয়াসকলক পৰামৰ্শ দিয়ে। উল্লেখযোগ্য যে যোৱা বছৰৰ ৩ ডিচেম্বৰত দক্ষিণ কোৰিয়াত আচম্বিতে সামৰিক শাসন ঘোষণা কৰাৰ ফলত সৃষ্টি হোৱা বিক্ষোভৰ পাছত ৰাষ্ট্ৰপতি উন ছুকে পদত্যাগ কৰিবলৈ বাধ্য হৈছিল। তেওঁৰ এই কাৰ্যৰ বাবে তেওঁৰ বিৰুদ্ধে মহাভিযোগ চলাবলৈ দেশখনৰ সাংবিধানিক আদালতে কালি এটা সৰ্বসন্মত ৰায়দান কৰিছিল।

00000000

ভাৰতে মানৱ, বন্যপ্ৰাণী আৰু পৰিবেশৰ সংযোগস্থলীত জীৱ-জন্তু আৰু মানুহৰ মাজত সংক্ৰমিত হ'ব পৰা ৰোগৰ সমাধানৰ বাবে এটা আন্তঃমন্ত্ৰালয় বৈজ্ঞানিক অধ্যয়নৰ আৰম্ভ কৰিব। ছিকিম, মহাৰাষ্ট্ৰ আৰু তামিলনাডুৰ নিৰ্বাচিত পক্ষী অভয়াৰণ্য আৰু জলাশয়ত এই অধ্যয়ন কৰা হ'ব। মানুহ আৰু পৰিভ্ৰমী চৰাই উভয়ৰে স্বাস্থ্য পৰীক্ষা কৰাৰ বাবে এই বৈজ্ঞানিক অধ্যয়নৰ সহায় লোৱা হ'ব। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে জনোৱা অনুসৰি এই গৱেষণাৰ জৰিয়তে পক্ষী অভয়াৰণ্যত কৰ্মৰত আৰু অভয়াৰণ্যৰ ওচৰৰ বাসিন্দাসকলৰ সম্ভাব্য সংক্ৰমিত ৰোগ ধৰা পেলোৱা আৰু চিকিৎসাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নতুন দিল্লীস্থিত ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ মুখ্য কাৰ্যালয়ত আজি বৈজ্ঞানিক অধ্যয়ন আৰম্ভ কৰা হৈছে।

000000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৮০ ৰানত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে ২০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

000000000

সমাপ্ত